**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-05-2026 **Time :** 0755 Hrs.

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা কৰা হ'ব। বিধানসভাত আজি 'নাৰী বন্দন' বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। কাইলৈ উমৈহতীয়া দেৱানীবিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হ'ব। ২৭ মে'ত বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

0000000

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰশুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ বিৰোধিতাৰে যুক্তি প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে যোৱা ২২ মে'ত অনুষ্ঠিত শুনানিত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। শুনানিকালত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অসম চৰকাৰে নিযুক্তি প্ৰদান কৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰো উপস্থিত থাকিব।

0000000

দৰং জিলাৰ মুক্তি যুঁজাৰু সন্মিলনৰ ত্ৰিবাৰ্ষিক অধিৱেশন কালি দিনজোৰা কাৰ্যসূচীৰে ছিপাঝাৰ বি জে বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত **বন্দে মাতৰম** সংগীত আৰু মহিলাৰ নাম পৰিৱেষন কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত মুকলি সভাত আগন্তুক তিনি বছৰীয়া কাৰ্যকালৰ বাবে নতুন জিলা কমিটি এখন গঠন কৰা হয়। ইয়াৰ পাছত কৃতি ছাত্ৰ-ছাত্ৰী অভিনন্দন অনুষ্ঠানত জিলাখনৰ মুক্তি যুঁজাৰু পৰিয়ালৰ ২৫ গৰাকী উত্তৰাধিকাৰী বিগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত তেওঁলোকে দেখুওৱা কৃতকাৰ্যতাৰ বাবে অভিনন্দন জ্ঞাপন কৰা হয়।

0000000

অহা ২৮ মে'ত হ'বলগীয়া স্নাতক মহলাৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা CUET UG স্থগিত ৰখা হৈছে। পৰীক্ষাৰ দিন পিছুৱাই দিছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA ই ঈদ উজ জোহাৰ বন্ধৰ দিন সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত এই কথা ঘোষণা কৰে। সংশোধিত পৰীক্ষাৰ দিন শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। শেহতীয়া তথ্যৰ বাবে নিয়মিতভাৱে সংস্থাৰ ৱেবচাইট চাই থাকিবলৈ ছাত্ৰ ছাত্ৰী সকলক পৰামৰ্শ দিয়া হৈছে। যিকোনো তথ্যৰ বাবে ছাত্ৰ ছাত্ৰীসকলে NTAৰ হেল্পলাইন নম্বৰ 011- 40759000 অথবা cuet-uginta.ac.in ত যোগাযোগ কৰিব পাৰিব।

0000000

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত উচ্চ পদস্থ বিষয়াসকলৰ সৈতে ৰাজ্যত সম্প্ৰতি ৰূপায়ণ হৈ থকা কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সন্দৰ্ভত পৰ্যালোচনা কৰে। এই প্ৰকল্পসমূহ সম্পূৰ্ণ হ'লে অসমৰ আন্তঃগাঁথনি, জনসেৱা আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনে নতুন গতি লাভ কৰিব বুলি ডঃ শৰ্মাই উল্লেখ কৰে।

মুখ্যমন্ত্ৰীগৰাকীক কালি নতুন দিল্লীৰ অসম ভৱনত গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ সঞ্জয় কুলশ্ৰেষ্ঠই সাক্ষাৎ কৰে। বৈঠকত ৰাজ্যৰ সৰ্বাঙ্গীন প্ৰগতি আৰু আন্তঃগাথনি উন্নয়নৰ যাত্ৰাত প্ৰতিষ্ঠানটোৱে আগবঢ়াব পৰা সহযোগ তথা কৌশলগত অংশীদাৰিত্বৰ দিশসমূহৰ বিষয়ে আলোচনা কৰা হয়।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে চৰ্দাৰ পেটেল মাৰ্গত নিৰ্মিয়মান অসম ভৱনৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। ডঃ শৰ্মাই গুণগত মান বৰ্তাই ৰাখি নিৰ্ধাৰিত সময়ত ভৱনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই অসম ভৱনে ৰাষ্ট্ৰীয় ৰাজধানীলৈ যোৱা অসমৰ লোকসকলৰ বাবে উন্নত সুবিধা প্ৰদান কৰাৰ লগতে নতুন দিল্লীত অসমৰ  স্থিতিও শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয় স্থানান্তৰৰ প্ৰতিবাদ তথা প্ৰস্তাৱিত বিজ্ঞান যাদুঘৰ শিৱসাগৰতে স্থাপনৰ দাবীত কালি ৰংপুৰ জ্যোতি ক্লাবত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বৃহত্তৰ শিৱসাগৰ নাগৰিক মঞ্চৰ উদ্যোগত আৰু শিৱসাগৰবাসীৰ সহযোগত আয়োজিত এই সভাত ভালেমান সমাজ সচেতন ব্যক্তি তথা বিশিষ্ট নাগৰিক উপস্থিত থাকে। তেওঁলোকে জিলা আয়ুক্তৰ কাৰ্যালয় শিৱসাগৰ সমষ্টিৰ পৰা স্থানান্তৰৰ পৰিকল্পনাৰ তীব্ৰ বিৰোধিতা কৰে। এইক্ষেত্ৰত শিৱসাগৰৰ বিধায়কক বিহিত ব্যৱস্থা লোৱাৰ বাবে তেওঁলোকে আহ্বান জনায়।

০০০০০০০

ডিব্ৰুগড়ৰ জালান ষ্টেডিয়ামত কালি নিশা ডিব্ৰুগড় সাংবাদিক একাদশ আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থা একাদশৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হয়। খেলখনত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই সাংবাদিক একাদশক দুই ৰানত পৰাজিত কৰে। খেলখনৰ অন্তত বিজয়ী দল আৰু শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়।

০০০০০০০

০০০০০০০

**সমাপ্ত**